**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 13-05-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**<u>HEADLINE</u>**

ooooo

১। নৱগঠিত মন্ত্ৰীসভাৰ ২১ মে’ৰ পৰা বিধানসভাৰ অধিৱেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত।

২। বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰক এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ নীতি নিৰ্ধাৰণৰ আধাৰ হিচাপে গ্ৰহণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। চি বি এছ ই-ৰ অধীনৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা।

৪। ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠৰ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণত অস্বীকাৰ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু কলকাতা নাইট ৰাইডাৰ্ছ মুখামুখি।

ooooo

অহা ২১ মে’ৰ পৰা বিধানসভাৰ অধিৱেশন অনুষ্ঠিত হ’ব। এই অধিৱেশনতে নৱনিৰ্বাচিত বিধায়কসকলে শপতগ্ৰহণ কৰিব। অধিৱেশনৰ পাছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ’ব। কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত অনুষ্ঠিত ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে এই অধিৱেশনত চন্দ্ৰমোহন পাটোৱাৰী অস্থায়ী অধ্যক্ষ হিচাপে থাকিব বুলি জানিবলৈ দিয়ে। নতুন মন্ত্ৰীসভাই শপতগ্ৰহণৰ পাছত জ্যেষ্ঠ বিধায়ক ৰণজিত কুমাৰ দাসক অধ্যক্ষৰ দায়িত্ব দিয়া হ’ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম-১)**

ড০ শৰ্মাই কয়, যে বিধানসভা নিৰ্বাচনৰ অন্তিম দিনা অৰ্থাৎ ২৬ মে’ত উমৈহতীয়া দেৱানী বিধি উত্থাপন কৰা হ’ব। মন্ত্ৰীসভাই আজি উমৈহতীয়া দেৱানী বিধিৰ খচৰাত অনুমোদন জনায়। এই খচৰা অনুসৰি

পাৰ্বত্য আৰু ভৈয়াম জনজাতিৰ লোকসকলক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ পৰা বাহিৰত ৰখা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

ড০ শৰ্মাই কয়, যে বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰখন এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ নীতি নিৰ্ধাৰণৰ আধাৰ হিচাপে গ্ৰহণ কৰাৰ বাবে মন্ত্ৰীসভাই আজি সিদ্ধান্ত লয়। মন্ত্ৰীসভাই পৰৱৰ্তী ৫ বছৰত নতুনকৈ ২ লাখ চৰকাৰী চাকৰিৰ নিযুক্তি সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ বাবে মুখ্য সচিবৰ নেতৃত্বত কাৰ্যবাহিনী গঠনৰ সিদ্ধান্ত লয়। এই কাৰ্যবাহিনীয়ে অহা তিনিমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব।

**ৰাইট (চি এম-২)**

আজিৰ বৈঠকত ড০ ভূপেন হাজৰিকাৰ জয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠান ৮ ছেপ্তেম্বৰত নতুন দিল্লীত আয়োজন কৰাৰো সিদ্ধান্ত লয়। ইয়াৰ উপৰি কলাক্ষেত্ৰত ৩২ কোটি টকা ব্যয় সাপেক্ষে ভূপেন হাজৰিকাৰ সংগ্ৰহালয়ৰ স্থাপন কৰাৰ উদ্দেশ্যে বৈঠকত সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই লগতে ব্যয় সংকোচনৰ ব্যৱস্থাৰ অংশ হিচাপে নতুন মন্ত্ৰীসকলৰ বাবে ছমাহলৈ নতুন বাহন নিদিবলৈ সিদ্ধান্ত লয়। অহা ছমাহলৈ মন্ত্ৰী-বিষয়া আৰু কৰ্মচাৰীয়ে বিদেশ ভ্ৰমণ কৰিব নোৱাৰিব। অকল চিকিৎসাজনিত কাৰণতহে বিদেশ ভ্ৰমণৰ অনুমতি দিয়া হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াৰ সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত ব্যয় হ্ৰাস কৰাৰ বাবে জনোৱা ৭টা অনুৰোধ অনুযায়ী ৰাজ্যপালৰ পৰা আৰম্ভ কৰি সকলো পৰ্যায়ৰ চৰকাৰী বিষয়াৰ কনভয়ৰ বাহনৰ সংখ্যা হ্ৰাস কৰাৰ সিদ্ধান্ত লোৱা হয়। একেদৰে বিদেশী মুদ্ৰা সঞ্চয়ৰ বাবে পৰৱৰ্তী ছমাহলৈ বিদেশী সামগ্ৰী ক্ৰয় নকৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ উপৰি সকলো আলোচনাচক্ৰ আৰু কৰ্মশালা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অনুষ্ঠিত কৰা হ'ব বুলি মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত ড০ শৰ্মাই প্ৰকাশ কৰে। মন্ত্ৰীসভাই পৰৱৰ্তী ৫ বছৰৰ বাবে দেৱজিৎ শইকীয়াক ৰাজ্য চৰকাৰৰ মহাধিবক্তা হিচাপে পুনৰ নিযুক্তি দিয়ে।

ইয়াৰ পূৰ্বে দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পাছত ডং শৰ্মাই আজি প্ৰথমটো কাৰ্যসূচী হিচাপে শিলপুখুৰীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ সমাধিক্ষেত্ৰ পৰিদৰ্শন কৰে। তেওঁৰ সৈতে কালি শপত গ্ৰহণ কৰা চাৰিগৰাকী মন্ত্ৰী অজন্তা নেওগ, ৰামেশ্বৰ তেলী, অতুল বৰা আৰু চৰণ বড়োৱেও বৰদলৈলৈ শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৰ্থনৈতিক স্বাৱলম্বিতা আৰু দায়িত্বশীল ৰাষ্ট্ৰ গঠনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই ৰাজ্যত ইন্ধন সংৰক্ষণ আৰু বহনক্ষম জীৱন ধাৰণৰ প্ৰসাৰৰ উদ্দেশ্যে এলানি ব্যৱস্থা ঘোষণা কৰিছে। শ্ৰীআচাৰ্য্যই কয়, যে ৰাজ্যপালৰ ভ্ৰমণৰ কনভয়ৰ গাড়ীৰ সংখ্যা ৭০ শতাংশ হ্ৰাস কৰা হ'ব। ইয়াৰ উপৰি ৰাজ্যপালে লোকভৱনত বিদ্যুৎ ৰাহি কৰাৰ উদ্দেশ্যেও ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে শ্ৰীআচাৰ্য্যই সম্পদৰ সংৰক্ষণ আৰু প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ প্ৰচেষ্টাৰ অংশ হিচাপে ইন্ধনৰ ব্যৱহাৰ ১০ শতাংশ হ্ৰাস কৰাৰ বাবে পদক্ষেপ লৈছিল। দৈনিক কাম-কাজৰ সৰু অথচ গুৰুত্বপূৰ্ণ পৰিৱৰ্তনে ৰাষ্ট্ৰীয় সম্পদৰ সংৰক্ষণ আৰু বহনক্ষম ভৱিষ্যৎ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি ৰাজ্যপালে মন্তব্য কৰে। তেওঁ লগতে এই উদ্যমে অনুৰূপ প্ৰতিষ্ঠান আৰু নাগৰিকসকলক বৃহত্তৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ খাতিৰত দায়িত্বশীল আৰু পৰিৱেশ অনুকূল অভ্যাস আঁকোৱালি ল'বলৈ প্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চি বি এছ ইৰ অধীনৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। শিক্ষাৰ্থীসকলে ৰোল নম্বৰ উল্লেখ কৰি আনুষ্ঠানিক ৱেবচাইট, ডিজিল'কাৰ আৰু উমং এপৰ জৰিয়তে ফলাফল চাব পাৰিব। চি বি এছ ইয়ে জাৰি কৰা এটা বিবৃতি অনুসৰি, এইবাৰ পৰীক্ষাত অৱতীৰ্ণ ১৭ লাখ ৬৮ হাজাৰৰো অধিক বিদ্যাৰ্থীৰ ভিতৰত ১৫ লাখ ৭ হাজাৰৰো অধিক উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ সামগ্ৰিক হাৰ ৮৫ দশমিক ২-০ শতাংশ।

00000

অন্ধ বিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি সমাজত জাগৰণৰ সূচনা কৰি যোৱা পদ্মশ্ৰী সন্মানেৰে সন্মানিত বীৰুবালা ৰাভাৰ পূণ্য তিথি উপলক্ষে আজি ৰাজ্যজুৰি অন্ধবিশ্বাস আৰু কুসংস্কাৰ বিৰোধী দিৱস পালন কৰা হয়। এই দিৱসৰ মূল উদ্দেশ্য হৈছে, বিজ্ঞান মানসিকতাৰ প্ৰসাৰ আৰু সমাজত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সজাগতা বৃদ্ধি কৰা। গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ ঠাকুৰভিলা নামৰ এখন গাঁৱত জন্মগ্ৰহণ কৰা বীৰুবালা ৰাভাই ২০০০ চনৰ পৰা ডাইনী কু-প্ৰথাৰ বিৰুদ্ধে সক্ৰিয় হৈ কাম কৰি আহিছিল। কমেও ৩৪ গৰাকী লোকৰ প্ৰাণ ৰক্ষা কৰা বীৰুবালা ৰাভাই ২০১১ চনত গোৱালপাৰা জিলাত মিছন বীৰুবালা আৰম্ভ কৰে। ২০১২ চনৰ ৩০ অক্টোবৰত এই মিছনক ৰাজ্যিক অভিযান হিচাপে স্বীকৃতি দিয়া হয়। ২০২১ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত বীৰুবালা ৰাভাৰ নাম ২০05 চনত শান্তিৰ ন'বেল বঁটাৰ বাবেও প্ৰেৰণ কৰা হৈছিল। মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাই সামাজিক কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা এইগৰাকী মহান নাৰীক আজি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বীৰুবালা ৰাভাৰ পূণ্য তিথিটো চৰকাৰে কু-সংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰি অহাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এইগৰাকী মহিয়সী নাৰীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

গোৱালপাৰা জিলাৰ ঠাকুৰভিলাতো মিছন বীৰুবালাৰ উদ্যোগত আৰু জিলা সমাজ কল্যাণ বিভাগৰ সহযোগত বীৰুবালা ৰাভা সাংস্কৃতিক ভৱনত এই উপলক্ষে দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বীৰুবালা ৰাভাৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন, আলোচনা-চক্ৰ আৰু সজাগতা সভা আদি ৰূপায়িত হয়।

00000

সমাজ সংস্কাৰক বীৰুবালা ৰাভাৰ স্মৃতিত আজি ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে চৰাইদেউ জিলাতো অন্ধবিশ্বাস বিৰোধী দিৱস পালন কৰা হয়। চৰাইদেউ জিলা প্ৰশাসন তথা জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত কুৰুকাণি বৰগঞা প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত আজি এই দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জিলা আয়ুক্ত ডা০ নেহা যাদৱে সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰাৰ বাবে বিজ্ঞানসন্মত চিন্তাধাৰাৰে আগবাঢ়িবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

00000

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে আজি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে অভিযুক্ত মহন্তৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অসম চৰকাৰৰ

হৈ প্ৰতিনিধিত্ব বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে জনোৱা মতে পৰৱৰ্তী পৰ্যায়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কে অভিযুক্তগৰাকীৰ জামিন আবেদন কোনখন বিচাৰপীঠত তালিকাভুক্ত কৰিব সেয়া নিৰ্ধাৰণ কৰিব।

উল্লেখযোগ্য যে বৰ্তমান বাক্সা জিলা কাৰাগাৰত বন্দী হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন যোৱা সোমবাৰে উচ্চ ন্যায়ালয়ত দাখিল কৰাৰ পাছত ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠত আবেদনৰ শুনানি তালিকাভুক্ত কৰা হৈছিল। যোৱা ৩০ এপ্ৰিলত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ কৰাৰ উপৰি আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন যোৱা ৪ মে'ত নাকচ কৰিছিল।

ooooo

মণিপুৰৰ কাংপ্‌কপি জিলাত আজি দিনৰ প্ৰায় ১০ বজাত অচিনাক্ত বন্দুকধাৰীয়ে দুখন বাহনক লক্ষ্য কৰি গুলীচালনা কৰাৰ ফলত তিনিজন অসামৰিক লোকৰ মৃত্যু হোৱাৰ লগতে আন চাৰিজন লোক আহত হয়। মণিপুৰ আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে জিলাখনৰ কটলেন আৰু কটজিম গাঁৱৰ মাজৰ জিৰো পইণ্ট অঞ্চলত চূড়াচান্দপুৰৰ এটা গীৰ্জাৰ অনুষ্ঠানৰ পৰা ঘূৰি অহাৰ সময়ত থাদউ বাপ্তিষ্ট এছ'চিয়েচনৰ লোককেইজনক দুৰ্বৃত্তই অতৰ্কিতে আক্ৰমণ চলায়। এই আক্ৰমণৰ পৰা এজন লোক পলাই যাবলৈ সমৰ্থ হয়। ঘটনাৰ খবৰ পোৱা মাত্ৰেই নিকটৱৰ্তী আৰক্ষী চকীৰ এটা দল উপস্থিত হৈ আহতসকলক উন্নত চিকিৎসাৰ বাবে পশ্চিম ইম্ফলৰ ছিজা হাস্পতাললৈ প্ৰেৰণ কৰে। মণিপুৰৰ মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিং, উপ-মুখ্যমন্ত্ৰী ল'চি দিখো, গৃহমন্ত্ৰী গোবিনদাস কনথৌজামকে ধৰি অন্যান্য বিষয়াসকলে চিকিৎসালয়লৈ গৈ আহতসকলৰ স্বাস্থ্যৰ বুজ লয়। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই আক্ৰমণৰ গৰিহণা দি ৰাজ্য চৰকাৰে আহতসকলৰ সকলো চিকিৎসা ব্যয় বহন কৰিব বুলি প্ৰকাশ কৰে। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ইয়ো এই আক্ৰমণৰ গৰিহণা দিয়ে।

ooooo

অল ইণ্ডিয়া এন আৰ কংগ্ৰেছৰ নেতা এন ৰংগস্বামীয়ে আজি অভিলেখ সংখ্যক পঞ্চমটো কাৰ্যকালৰ বাবে পুডুচেৰীৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। লোক নিবাসত আয়োজিত এটা অনুষ্ঠানত উপ-ৰাজ্যপাল কে কৈলাশনাথনে তেওঁক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰীৰ সৈতে অল ইণ্ডিয়া এন আৰ কংগ্ৰেছৰ মল্লাডি কৃষ্ণ ৰাও আৰু বিজেপিৰ এ নমশিৱায়মে শপত লয়। শপত গ্ৰহণ অনুষ্ঠানত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বি এল সন্তোষ, বিজেপিৰ ৰাজ্যিক সভাপতি ভি পি ৰামলিংগম আৰু দলৰ নেতা-কৰ্মীসকল উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৩৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষে কয়লা আৰু লীগনাইট গেছীয়কৰণ প্ৰকল্পত অনুমোদন জনাইছে। নতুন দিল্লীত আজি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে দেশত কয়লা আৰু লীগনাইটক গেছলৈ ৰূপান্তৰিত কৰাৰ কাৰ্য্যসূচী ত্বৰান্বিত কৰাৰ দিশৰ পৰা এই প্ৰকল্প গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পৰিগণিত হ'ব। তেওঁ কয়, যে এই আঁচনিৰ জৰিয়তে ৭ কোটি ৫০ লাখ টন কয়লা আৰু লীগনাইটক গেছলৈ ৰূপান্তৰ কৰি

কৃত্ৰিম গেছলৈ ৰূপান্তৰ আৰু আনুসঙ্গিক সামগ্ৰী উৎপাদন কৰাৰ বাবে অনুপ্ৰেৰণা যোগোৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই আঁচনিৰ অধীনত ৩ লাখ কোটি টকা বিনিয়োগ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এই আঁচনিৰ জৰিয়তে খনন খণ্ডত বছৰি ৬ হাজাৰ ৩০০ কোটি টকাৰ ৰাজহ সৃষ্টি হ'ব আৰু সাম্প্ৰতিক ভূ-ৰাজনৈতিক পৰিস্থিতিত আত্ম-নিৰ্ভৰ ভাৰত তথা মেক-ইন ইণ্ডিয়া উদ্যম অধিক শক্তিশালী হৈ উঠিব।

০০০০০

কোকৰাঝাৰ জিলাৰ গংগীয়াৰ লাউক্ৰীগুৰি অঞ্চলত যোৱানিশা বনৰীয়া হাতীৰ আক্ৰমণত দুটা বাসগৃহ ক্ষতিগ্ৰস্ত হয়। স্থানীয় লোকে জনোৱা মতে ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা বনৰীয়া হাতীয়ে খাদ্যৰ সন্ধানত আহি উদ্যানখনৰ সমীপৰ গাঁৱত ঘৰ-বাৰী তহিলং কৰে। ক্ষতিগ্ৰস্ত হোৱা বাসগৃহকেইটাৰ পৰা লোকসকলৰ কথমপি প্ৰাণৰক্ষা পৰে।

০০০০০

শিৱসাগৰ জিলাৰ আয়ুক্ত কাৰ্য্যালয়ত আজি সম্ভাব্য বিমান আক্ৰমণৰ সময়ত ল'বলগীয়া সাৱধানতা বিষয়ক আখৰাৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ বাবে এখন বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়, ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগ তথা অসামৰিক প্ৰতিৰক্ষা সঞ্চালকালয়ৰ নিৰ্দেশনা অনুসৰি, অহা ১৬ মে'ৰ সন্ধিয়া ৬ বাজি ১৫ মিনিটৰ পৰা ৭ বজাৰ ভিতৰত সম্ভাব্য বিমান আক্ৰমণৰ সময়ত ল'বলগীয়া সাৱধানতামূলক ব্যৱস্থাসমূহৰ বিষয়ে সজাগতা সৃষ্টিৰ লক্ষ্যৰে জৰুৰীকালীন অনুশীলনৰ ব্যৱস্থা কৰা হৈছে। এই আখৰাৰ মূল উদ্দেশ্য হৈছে, জৰুৰীকালীন পৰিস্থিতিত বিভিন্ন চৰকাৰী বিভাগক সক্ষম কৰি তোলা আৰু ইয়াৰ কাৰ্য্য-দক্ষতা পৰীক্ষা কৰা। শিৱসাগৰৰ কেন্দ্ৰীয় বজাৰৰ সমীপৰ হাই ষ্ট্ৰীট মাৰ্কেট কমপ্লেক্স আৰু দাঁতিকাষৰীয়া অঞ্চলত এই অনুশীলন কৰা হ'ব।

০০০০০

ডিব্ৰুগড় জিলাৰ মদাৰখাট মৌজাৰ শ্ৰীশ্ৰী মায়ামৰা মদাৰখাট সত্ৰৰ সমীপৰ মায়ামৰা বৈষ্ণৱ নামঘৰৰ সোণালী জয়ন্তী উৎসৱ আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে। মায়ামৰা মদাৰখাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী বৈষ্ণৱানন্দ গোস্বামীয়ে আজি নঘৰৰ নৱ-নিৰ্মিত প্ৰৱেশদ্বাৰ উদ্বোধন কৰে। জ্যেষ্ঠ গাঁওবুঢ়া বেণুধৰ দত্তই ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছত দিনৰ ভাগত ধৰ্মালোচনা সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানতে স্মৃতিগ্ৰন্থ ভক্তিজ্যোতি উন্মোচন কৰা হয়।

০০০০০

অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ অধীনৰ দৰং কৰ্কট কেন্দ্ৰ উদ্যোগত আজি মঙলদৈ জিলা কাৰাগাৰত এখন কেঞ্চাৰ সজাগতা কাৰ্য্যসূচী আৰু এই ৰোগৰ প্ৰাথমিক অনুসন্ধান শিবিৰ অনুষ্ঠিত হয়। কাৰাবন্দী আৰু বিষয়া-কৰ্মচাৰীসকলৰ বাবে আয়োজিত এই কাৰ্য্যসূচীত দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষককে ধৰি কেঞ্চাৰ চিকিৎসা প্ৰতিষ্ঠানখনৰ কেইবাগৰাকীও চিকিৎসক, নাৰ্চ আৰু অন্যান্য চিকিৎসা কৰ্মীয়ে অংশগ্ৰহণ কৰে। শিবিৰত মুখগহ্বৰ আৰু জৰায়ু মুখৰ কেঞ্চাৰৰ লগতে উচ্চ ৰক্তচাপ, মধুমেহ আদি ৰোগৰো পৰীক্ষা কৰা হয়।

০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি ৰায়পুৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৮২ ৰানত পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষত স্থান লাভ কৰে।

ooooo

সমাপ্ত